# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-06-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১।	দেশত নিৰ্বাচনী ব্যৱস্থাৰ সু-পৰিচালনাৰ বাবে দেশৰ নিৰ্বাচন আয়োগৰ ২৩টা নতুন পদক্ষেপ গ্ৰহণ।

২।	ৰাজ্যত ৪০০ গৰাকী চিকিৎসা আৰু স্বাস্থ্য বিষয়াক নিযুক্তি পত্ৰ প্ৰদান।

৩।	অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে গঠিত উপ-সমিতিৰ অহা ৮ আগষ্টৰ পূৰ্বে মুখ্যমন্ত্ৰীক চূড়ান্ত প্ৰতিবেদন দাখিলৰ সিদ্ধান্ত।

৪।	সাহিত্য একাডেমীৰ ২০২৫ বৰ্ষৰ যুৱ সাহিত্য আৰু শিশু সাহিত্য বঁটা ঘোষণা। *আৰু*

৫।	নাইপাৰ গুৱাহাটীৰ সপ্তম সমাৱৰ্তন সমাৰোহত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ৩৬৬ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান।

ooooo

দেশৰ নিৰ্বাচন আয়োগে সমগ্ৰ দেশতে নিৰ্বাচনী ব্যৱস্থাৰ সু-পৰিচালনাৰ বাবে ২৩টা নতুন পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নিৰ্দেশমৰ্মে আজি দিছপুৰৰ ৰাজ্যিক নিৰ্বাচনী বিষয়াৰ সন্মিলন কক্ষত আয়োজিত এটা বিশেষ অনুষ্ঠানত নিৰ্বাচন আয়োগৰ যুটীয়া সঞ্চালক অনুজ চন্দক আৰু সহকাৰী সঞ্চালক অপূৰ্ব কুমাৰে এই নতুন পদক্ষেপসমূহৰ বিষয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে। এই অনুসৰি এতিয়াৰে পৰা সকলোবোৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাসকলৰ মোবাইল ফোন ৰখাৰ ব্যৱস্থা থাকিব। কোনো এটা ভোটগ্ৰহণ কেন্দ্ৰতে ভোটদাতাৰ সংখ্যা এহেজাৰ ২০০তকৈ অধিক নহ'ব। মৃত ভোটদাতাৰ তথ্য ভাৰতৰ মহাপঞ্জীয়কৰ তথ্য ভাণ্ডাৰৰ সৈতে যুক্ত কৰি ৰিজাই চোৱা হ'ব। তদুপৰি মহানগৰসমূহৰ বহুমহলীয়া আৱাসিক অঞ্চলসমূহতো ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। ইয়াৰ লগতে ই চি আই নেট নামৰ ৱেবছাইট আৰু এপত সকলো তথ্য একত্ৰিত কৰাৰ ব্যৱস্থা কৰা হ'ব। বুথ পৰ্যায়ৰ বিষয়াসকলৰ বাবে ফটোযুক্ত পৰিচয় পত্ৰ আৰু তেওঁলোকৰ ভিতৰৰে এক লাখ গৰাকীক নতুন দিল্লীৰ ৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন পৰিচালনা প্ৰতিষ্ঠানত প্ৰশিক্ষিত কৰাৰ ব্যৱস্থা কৰা হৈছে। দুয়োগৰাকী বিষয়াই ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভোটদাতাসকলৰ সচেতনতা বৃদ্ধি আৰু নিৰ্বাচন প্ৰক্ৰিয়া সম্পৰ্কত সঠিক তথ্য জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ বাবে আকাশবাণী আৰু দূৰদৰ্শনকে ধৰি সংবাদ মাধ্যমসমূহক সহযোগিতা কৰিবলৈ আহ্বান জনায়।

ooooo

অসম চৰকাৰে ৪০০ গৰাকী চিকিৎসা আৰু স্বাস্থ্য বিষয়াক আজি নিযুক্তি পত্ৰ প্ৰদান কৰে। তৃণমূল পৰ্যায়ৰ পৰা মানসম্পন্ন স্বাস্থ্য সেৱা প্ৰদানৰ প্ৰচেষ্টাৰ অংশ হিচাপে এই নিযুক্তি প্ৰদান কৰা হৈছে। এই উপলক্ষে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। নিজৰ ভাষণত তেওঁ কয় যে নৱনিযুক্ত বিষয়াসকলে চৰকাৰী চাকৰি লাভৰ

সপোন বাস্তৱায়িত কৰাৰ লগতে উন্নত স্বাস্থ্য সেৱা প্ৰদানত সহায় কৰিব। বিগত কেইবছৰমানত স্বাস্থ্য সেৱাৰ দিশত লাভ কৰা সাফল্য হিচাপে প্ৰসূতি মাতৃ আৰু নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাস হৈছে বুলি ড০ শৰ্মাই উল্লেখ কৰে। ২০২৯ চনৰ ভিতৰত অসমত ৩০খন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰি ৰাজ্যখনক চিকিৎসা আৰু স্বাস্থ্য সেৱাৰ দিশত শক্তিশালী কৰি তোলাৰ লক্ষ্য লোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে ৰাজ্যত ছখনৰ পৰা ১৩খনলৈ চিকিৎসা মহাবিদ্যালয় বৃদ্ধি পোৱাৰ ফলত সুলভ হাৰত স্বাস্থ্য সেৱা প্ৰদানৰ সুবিধা হৈছে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ব্যক্তিগত চিকিৎসালয়সমূহৰ সেৱা প্ৰদান ব্যৱস্থাত কিছু সংশোধন কৰাৰ বাবে মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত লোৱা হ'ব বুলি উল্লেখ কৰে। তেওঁ কয় যে এনে চিকিৎসালয়সমূহে টকা-পইচা আদায় আদায় দিব নোৱাৰাৰ বাবে মৃতদেহ আৰু ৰোগীক যাতে ৰখাই থ'ব নোৱাৰে তাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত ল'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তদুপৰি এই সন্দৰ্ভত সহায়ৰ বাবে এটা কল চেণ্টাৰ স্থাপন কৰিবলৈ স্বাস্থ্য মন্ত্ৰীক কোৱা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। অসুবিধাৰ সন্মুখীন হোৱা লোকে কল চেণ্টাৰলৈ ফোন কৰিলে আৰক্ষীয়ে ততালিকে সংশ্লিষ্ট চিকিৎসালয়ত উপস্থিত হৈ ৰোগী নাইবা মৃতদেহ পৰিয়ালক গতাই দিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে চিকিৎসকসকলক ভাট্টাকে ধৰি বিভিন্ন সা-সুবিধা প্ৰদানৰ চিন্তা-চৰ্চা কৰা হৈছে বুলিও ড০ শৰ্মাই জানিবলৈ দিয়ে।

**ঃ বাইট ঃ (চি এম)**

আজিৰ অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলো উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে যোৱা ৫ জুন পৰ্যন্ত এক লাখ ২০ হাজাৰ ৩৫৯ গৰাকী চিকিৎসা আৰু স্বাস্থ্য বিষয়াক নিযুক্তি প্ৰদান কৰিছে।

০০০০০

অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে গঠিত উপ-সমিতিখনে চলিত বৰ্ষৰ ৮ আগষ্টৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক চূড়ান্ত প্ৰতিবেদন দাখিল কৰিব। আজি গুৱাহাটীৰ জনতা ভৱনত অসম চুক্তি ৰূপায়ণ উপ-সমিতিৰ ষষ্ঠ বৈঠকত এই কথা প্ৰকাশ কৰা হয়। অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাৰ উপস্থিতিত সদৌ অসম ছাত্ৰ সন্থা আৰু অসম চুক্তি ৰূপায়ণ বিভাগৰ বিষয়াসকলৰ মাজত এই বৈঠক অনুষ্ঠিত হয়। বৈঠকখনত ৬ নম্বৰ দফা সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিয়ে আগবঢ়োৱা ৩৯টা পৰামৰ্শৰ সৈতে জড়িত বিভিন্ন কাম-কাজৰ অগ্ৰগতিৰ খতিয়ান লোৱা হয়। বৈঠকত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৰ্গই অসম চুক্তিৰ ৭ নম্বৰ দফা সন্দৰ্ভত এখন উপ-সমিতি গঠন কৰি ইয়াৰ ৰূপায়ণ প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে আগবঢ়াই নিয়াৰ বাবে পৰামৰ্শ দিয়ে। মন্ত্ৰী বৰাই এই পৰামৰ্শসমূহ বিবেচনাৰ বাবে গ্ৰহণ কৰাৰ লগতে ৬ নম্বৰ দফাৰ ৰূপায়ণে অসমৰ খিলঞ্জীয়া লোকৰ পৰিচয় সুৰক্ষিত কৰাত সহায় কৰিব বুলি মন্তব্য কৰে। বৈঠকত ছাত্ৰ সংগঠনটোৰ সভাপতি উৎপল শৰ্মা, মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনৰ উপৰি অসম চুক্তি ৰূপায়ণ বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত লোৱা পদক্ষেপ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰি আহিছে। অহা ২১ জুনত সমগ্ৰ বিশ্বতে একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হ'ব। আজি আমি প্ৰাচীন ভাৰতীয় পৰম্পৰাৰ পৰা বিশ্বব্যাপী অভিযানলৈ যোগৰ বিৱৰ্তন সন্দৰ্ভত আলোকপাত কৰিবলৈ লৈছো।

**--ভইচ–**

**( যোগৰ ইতিহাস ভাৰতৰ প্ৰাচীন সভ্যতাৰ মাজত গভীৰভাৱে শিপাই আছে। সিন্ধু-সৰস্বতী উপত্যকা সভ্যতাত যোগ আধ্যাত্মিক অনুশীলন হিচাপে আৰম্ভ হৈছিল আৰু ক্ৰমান্বয়ে আত্ম উপলব্ধিৰ দিশত যোগ অনুশাসনমূলক পথলৈ বিকশিত হ'ল। বহু বছৰ ধৰি পণ্ডিতসকলে খ্ৰীষ্টপূৰ্ব ৫০০ৰ আশে-পাশে বৌদ্ধ ধৰ্মৰ উত্থানৰ সময়ত যোগৰ উৎপত্তি হৈছিল বুলি বিশ্বাস কৰিছিল। কিন্তু সিন্ধু-সৰস্বতী উপত্যকা সভ্যতাৰ পৰা পোৱা প্ৰত্নতাত্ত্বিক তথ্যৰ পৰা যোগ বহু পুৰণি বুলি অনুমান কৰিব পাৰি। সময়ৰ লগে লগে যোগ বেদ, উপনিষদ আৰু পাছলৈ পতঞ্জলীৰ যোগসূত্ৰলৈ প্ৰৱাহিত হ'ল।**

**২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত ২১ জুনক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে পালন কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল। এই সপ্তাহত আমি একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰিম। এইবাৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে- এখন পৃথিৱী, এটা স্বাস্থ্যৰ বাবে যোগ।)**

০০০০০

সাহিত্য একাডেমীয়ে ২০২৫ বৰ্ষৰ যুৱ সাহিত্য আৰু শিশু সাহিত্য বঁটা লাভ কৰা ব্যক্তিসকলৰ নামৰ তালিকা প্ৰকাশ কৰিছে। অসমৰ সুপ্ৰকাশ ভূঞাৱে **কুঁচিয়ানামা** শীৰ্ষক চুটি গল্প সংকলনৰ বাবে যুৱ সাহিত্য বঁটা আৰু সুৰেন্দ্ৰ মোহন দাসলৈ **মইনাহঁতৰ পদ্য**ৰ বাবে শিশু সাহিত্য বঁটা আগবঢ়োৱা হৈছে। অমৰ খুংগুৰ বড়োৱে বড়ো ভাষাত লিখা **অং অচুৰ** কবিতা সংকলনৰ বাবে যুৱ সাহিত্য বঁটা আৰু বিনয় কুমাৰ ব্ৰহ্মাই **খান্থি বৌচন আৰ' আখু ডানাই** শিশু গল্প সংকলনৰ বাবে শিশু সাহিত্য বঁটা লাভ কৰিছে। শ্ৰীব্ৰহ্মই এই বঁটা লাভৰ পাছত নিজৰ মনৰ ভাৱ প্ৰকাশ কৰি এনেদৰে কয়-

**বাইট (বিনয় কুমাৰ ব্ৰহ্ম)**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আটাইকেইজন বঁটা বিজয়ী সাহিত্যিক অভিনন্দন জনাইছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও বঁটা লাভ কৰা চাৰিওগৰাকী সাহিত্যিকলৈ অভিনন্দন জ্ঞাপন কৰিছে। শ্ৰীসোণোৱালে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ভাষা-সাহিত্যৰ উৎকৰ্ষ সাধনেৰে অসমৰ জাতীয় জীৱনক সমৃদ্ধ কৰা এই যাত্ৰা অব্যাহত ৰাখিবলৈ তেওঁলোকক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ গৈ প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাক্তন ৰাষ্ট্ৰীয় উপ-সভাপতি বিজয়া চক্ৰৱৰ্তীৰ স্বাস্থ্যৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে বৰ্ষীয়ান নেত্ৰীগৰাকীৰ সৈতে কিছুসময় কটায় আৰু তেওঁৰ চিকিৎসাৰ সম্পূৰ্ণ ব্যয় ৰাজ্য চৰকাৰে বহন কৰিব বুলি প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীয়ে আজি একেখন চিকিৎসালয়তে চিকিৎসাধীন হৈ থকা জ্যেষ্ঠ অভিনেতা জয়ন্ত ভাগৱতীৰো স্বাস্থ্যৰ বুজ লয়। ভাগৱতীৰ চিকিৎসাৰ সম্পূৰ্ণ ব্যয়ও অসম চৰকাৰে বহন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে পাছত প্ৰকাশ কৰে।

০০০০০

চৰকাৰে ১৫ আগষ্টৰ পৰা ৩ হাজাৰ টকা মূল্যত ফাষ্টেগ আধাৰিত বাৰ্ষিক অনুমতি-পত্ৰ প্ৰৱৰ্তন কৰিব। ইয়াৰ ফলত সমগ্ৰ দেশৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে সুগম আৰু কম খৰচী যাত্ৰা সম্ভৱ হৈ উঠিব। এই অনুমতি-পত্ৰ সক্ৰিয় হোৱা দিনৰ পৰা এবছৰ অথবা সৰ্বাধিক ২০০ যাত্ৰা বৈধ হ'ব। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে সংবাদ মাধ্যমযোগে প্ৰকাশ কৰিছে। কাৰ, জীপ আৰু ভেনৰ পৰা অব্যৱসায়িক ব্যক্তিগত বাহনৰ বাবে এই অনুমতি-পত্ৰ বিশেষভাৱে প্ৰস্তুত কৰি উলিওৱা হৈছে।

ooooo

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিৱসাগৰৰ ভটিয়াপাৰৰ অ' এন জি চিৰ গেছ্ নিৰ্গমন সন্দৰ্ভত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ্ মন্ত্ৰী হৰদীপ সিং পুৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিস্থিতিৰ অৱনতি ৰোধ কৰাৰ বাবে অ' এন জি চিক যুদ্ধকালীন তৎপৰতাৰে গেছ্ নিৰ্গমন নিয়ন্ত্ৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিবলৈ পত্ৰখনৰ জৰিয়তে অনুৰোধ জনাইছে। তেওঁ লগতে স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে অ' এন জি চিয়ে অধিক সক্ৰিয়তাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে বুলি মত পোষণ কৰে। ৰাজ্য চৰকাৰে প্ৰভাৱিত লোকসকলক সকলোধৰণৰ সাহায্য আগবঢ়াইছে বুলিও তেওঁ মন্তব্য কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীপুৰীয়ে ইয়াৰ পূৰ্বেও টেলিফোনযোগে ৰাজ্য চৰকাৰৰ সৈতে গেছ্ নিৰ্গমন ৰোধ কৰাৰ বাবে তেল আৰু প্ৰাকৃতিক গেছ্ নিগমে চলাই থকা প্ৰচেষ্টাৰ বুজ লৈছে। কালি সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয়, যে অ' এন জি চিৰ বিষয়াসকল আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞসকলৰ সৈতে নিৰন্তৰ যোগাযোগত আছে।

তেল আৰু প্ৰাকৃতিক গেছ্ নিগম, অ' এন জি চিয়ে শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰত গেছ্ নিৰ্গমন ৰোধ কৰাৰ বাবে দেশ-বিদেশৰ বিশেষজ্ঞৰ পৰামৰ্শ অনুযায়ী কাম কৰি আছে যদিও পৰিস্থিতি এতিয়াও নিয়ন্ত্ৰণ হোৱা নাই। প্ৰতিষ্ঠানটোৱে গেছ্ নিৰ্গমন হৈ থকা ১৪৭ নম্বৰ ৰিগৰ খননৰ দায়িত্বত থকা এছ কে পেট্ৰ' নামৰ ব্যক্তিগত খণ্ডৰ কোম্পানীটোৰ বিৰুদ্ধে নিজাববীয়াকৈ তদন্ত আৰম্ভ কৰিছে।

ooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই উত্তৰ পূৰ্বাঞ্চলক জৈৱ বৈচিত্ৰ্য, পৰম্পৰাগত ঔষধ আৰু থলুৱা স্বাস্থ্য যতন জ্ঞানৰ ভাণ্ডাৰ বুলি অভিহিত কৰিছে। আজি ৰাষ্ট্ৰীয় ভেষজ শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠান নাইপাৰ গুৱাহাটীৰ সপ্তম সমাৱৰ্তন সমাৰোহত ভাষণ দি তেওঁ নাইপাৰৰ লেখিয়া প্ৰতিষ্ঠানে অত্যাধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ মাধ্যমেৰে এই চহকী ঐতিহ্যক গোলকীয় পৰ্যায়লৈ লৈ যোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি মন্তব্য কৰে। ভেষজ খণ্ডৰ উন্নয়নত উত্তৰ পূৰ্বাঞ্চলৰ বৰ্ধিত ভূমিকাৰ বিষয়ে উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয় যে এডভাণ্টেজ আছামৰ দ্বিতীয় পৰ্যায় আৰু ৰাইজিং নৰ্থ-ইষ্টৰ দৰে উদ্যমসমূহৰ বলত উদ্ভাৱন, উদ্যমশীলতা আৰু ভেষজ উৎকৰ্ষৰ নতুন কেন্দ্ৰ হিচাপে ৰাজ্যত উত্থান ঘটিছে। ভেষজ খণ্ডত ভাৰতৰ সামৰ্থ্যৰ প্ৰশংসা কৰি ৰাজ্যপালগৰাকীয়ে কয় যে দেশে জেনেৰিক ঔষধৰ গোলকীয় চাহিদাৰ ২০ শতাংশ পূৰণ কৰি আহিছে। দেশত চিকিৎসাৰ ৬০টাৰো অধিক শাখাত ৬০ হাজাৰৰো অধিক ব্ৰেণ্ডৰ ঔষধ উৎপাদন হয় বুলি তেওঁ জানিবলৈ দিয়ে। ৰাজ্যপালগৰাকীয়ে কোভিড-১৯ মহামাৰীৰ সময়ত ভাৰতে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে আলোকপাত কৰে আৰু এই মহামাৰীত আগবঢ়োৱা সক্ৰিয় অৱদানৰ বাবে নাইপাৰৰ ভূয়সী প্ৰশংসা কৰে। নাইপাৰে এই অৱদানৰ বাবে কোভিড ৱাৰিয়ৰৰ সন্মান লাভ কৰিছিল। অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰসায়ন আৰু সাৰ মন্ত্ৰালয়ৰ অধীনৰ ভেষজ বিভাগৰ সচিব অমিত আগৰৱালে কম সময়ৰ ভিতৰতে গুৱাহাটী নাইপাৰে গৱেষণা, ঔষধ আৱিস্কাৰ আৰু উদ্ভাৱনৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাই অহা বুলি উল্লেখ কৰে।

**বাইট (অমিত আগৰৱালা)**

সমাৱৰ্তনত নাইপাৰৰ সঞ্চালক ডাঃ ইউ এছ এম মূৰ্তিয়ে চিকিৎসা আহিলাৰ পৰীক্ষণৰ জৰিয়তে নাইপাৰ গুৱাহাটীয়ে ৰাজ্যৰ স্বাস্থ্য সেৱাত আমূল পৰিৱৰ্তন আনিবলৈ সমৰ্থ্য হৈছে বুলি প্ৰকাশ কৰে। আজিৰ

অনুষ্ঠানত ১০গৰাকী গৱেষক ছাত্ৰ-ছাত্ৰীক পি এইচ ডি, ২০২২-২৪ বৰ্ষৰ ১৪৪ গৰাকী আৰু ২০২৩-২৫ বৰ্ষৰ ২১২ গৰাকী শিক্ষাৰ্থীক স্নাতকোত্তৰ ডিগ্ৰীৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়।

০০০০০

বৰপেটাৰ সাংবাদিক ৰাজু কুমাৰ দাসৰ আজি পুৱা বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি তেওঁ শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৪২ বছৰ। প্ৰায় ২০ বছৰ ধৰি তেওঁ ভিডিঅ’ সাংবাদিক হিচাপে অসমৰ লগতে কেইবাটাও ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ সৈতে জড়িত হৈ আছিল। তেওঁৰ মৃত্যুত বৰপেটা প্ৰেছ ক্লাবৰ লগতে কেইবাটাও দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত